## ১১.৩.১ প্ৰেমচন্দৰ গল্পৰ বৈশিষ্ট্য

কথাশিল্পৰ যাদুকৰ প্ৰেমচন্দৰ গল্পসমূহ হিন্দী তথা সমগ্ৰ ভাৰতীয় সাহিত্যৰ অমূল্য সম্পদ। বিভিন্ন বিষয়বস্তু, আদৰ্শ, বৈশিষ্ট্য আৰু ভাষাশৈলীৰে প্ৰেমচন্দৰ গল্পৰাজি সমৃদ্ধ। উৰ্দু মিশ্ৰিত সৰল ভাষাশৈলীৰে অলংকৃত প্ৰেমচন্দৰ গল্পই হিন্দী তথা আধুনিক ভাৰতীয় সাহিত্যলৈ নতুন জোৱাৰ আনে।



Scanned with CamScanner

বাস্তৱবাদী দৃষ্টিভংগীৰে প্ৰেমচন্দৰ গল্পসমূহ সমৃদ্ধ। হিন্দী কথা সাহিত্যত প্ৰথমে প্ৰেমচন্দই অতি কাল্পনিক আৰু মনোৰঞ্জনধৰ্মী গল্পৰ বিপৰীতে বাস্তৱবাদী গল্পৰ পাতনি মেলে। প্ৰেমচন্দৰ গল্পসমূহত কল্পনাৰ পৰশ থাকিলেও সেইবোৰৰ পৃষ্ঠভূমি সম্পূৰ্ণ বাস্তৱিক। কৃষক, শ্ৰমিক, বিধবা, দলিত, আদিবাসীৰ দৰে উপেক্ষিত লোকৰ জীৱন সংগ্ৰামক প্ৰেমচন্দই তেওঁৰ গল্পত স্থান দিছিল। 'পুস কী ৰাত', 'শতৰঞ্জ কে খিলাড়ী' 'বড়ে ভাই চাহব' আদি গল্পত বাস্তৱ জীৱনৰ সাৰ্থক স্বৰূপ প্ৰতিফলিত হৈছে। প্ৰেমচন্দৰ বেছিভাগ গল্পই হ'ল যথাৰ্থবাদী। সামন্তীয় আৰু ৰক্ষণশীল চিন্তাৰ বিপৰীতে আধুনিক আৰু যুক্তিবাদী দৃষ্টিভংগী প্ৰেমচন্দৰ গল্পত সমুজ্জ্বল হৈ উঠিছে।

প্ৰেমচন্দৰ গল্পত আদৰ্শৰ প্ৰতি সন্মান পৰিলক্ষিত হয়। সত্য, ন্যায়, ত্যাগ, মানৱতা, ক্ষমা, উদাৰতা আদি উচ্চ আদৰ্শক প্ৰেমচন্দ্ৰ গল্পত সঠিক ৰূপত উপস্থাপন কৰা হৈছে। সাংসাৰিক লালসা আৰু প্ৰলোভনৰ উৰ্দ্ধত ত্যাগ আৰু ন্যায়ৰ আদৰ্শ প্ৰেমচন্দ্ৰৰ গল্পত প্ৰায়েই বিদ্যমান। 'প্ৰায়শ্চিত্ত', 'সেৱামাৰ্গ', 'সচ্চাই কা উপহাৰ' আদি এই শ্ৰেণীৰ গল্প। সামাজিক চেতনাৰে প্ৰেমচন্দৰ বেছিভাগ গল্পই পুষ্ট। 'কফন', 'ঠাকুৰ কা কুঁৱা' আদি গল্পত সামাজিক চেতনা অতি প্ৰখৰ। উচ্চ নীচ, ভেদাভেদ, দৰিদ্ৰতা, অনগ্ৰসৰতা, আৰ্থিক বিষমতা, কুসংস্কাৰ, অন্ধবিশ্বাস আদি সামাজিক সমস্যাসমূহক প্ৰেমচন্দই সুস্পষ্ট ৰূপত ফুটাই তুলিছে। প্ৰেমচন্দৰ সমগ্ৰ গল্পৰ পৃষ্ঠভূমি হ'ল ভাৰতীয় সমাজৰ বাস্তৱিক বাতাবৰণ। সেয়ে আমাৰ চিনাকি সামাজিক কেৰোণ আৰু ঘটনাসমূহেই প্ৰেমচন্দৰ গল্পত পৰিস্ফুট হৈ উঠিছে।

দেশপ্ৰেমৰ ভাবনা প্ৰেমচন্দৰ অনেক গল্পত ফুটি উঠিছে। মহাত্মা গান্ধীৰ অহিংস আন্দোলনৰ দ্বাৰা প্ৰভাৱিত প্ৰেমচন্দই নিজৰ একাধিক গল্পত দেশপ্ৰেমৰ চেতনাক প্ৰকাশ কৰিছে। 'দুনীয়া কা সবসে অনমোল ৰতন' গল্পটোত স্বদেশ প্ৰেম আৰু আত্মবলিদানৰ গৌৰৱগাথা বৰ্ণিত হৈছে। প্ৰেমচন্দই নিজৰ সাহিত্যৰ মাধ্যমেৰে তৎকালীন পৰাধীন দেশৰ জনতাৰ মনত ৰাষ্ট্ৰপ্ৰেমৰ সঞ্চাৰ কৰিছিল। প্ৰেমচন্দৰ বাবে সাহিত্য আছিল মনৰ সঁচা ভাবনা প্ৰকাশৰ উৎকৃষ্ট মাধ্যম।

চৰিত্ৰৰ মনোবৈজ্ঞানিক বিশ্লেষণ প্ৰেমচন্দৰ গল্পৰ অন্যতম বৈশিষ্ট্য। 'কফন', 'নমক কা দাৰোগা', 'বড়ে ঘৰ কী বেটী' আদি গল্পৰ চৰিত্ৰ চিত্ৰণত মনোবৈজ্ঞানিক মানসিকতাৰ পৰিচয় পোৱা যায়। চৰিত্ৰক গভীৰ অন্তদৃষ্টিৰে বিশ্লেষণ কৰি চোৱাৰ বাবেই প্ৰেমচন্দৰ গল্পৰ পাত্ৰসমূহ অতি জীৱন্ত আৰু পৰিচিত। নাৰী, পুৰুষ, উপেক্ষিত, দৰিদ্ৰ, অভিজাত, শিক্ষিত সকলো প্ৰকাৰৰ চৰিত্ৰই প্ৰেমচন্দৰ গল্পত উজলি উঠিছে।

ভাৰতীয় সংস্কৃতিৰ অভিব্যক্তি প্ৰেমচন্দৰ সকলোবোৰ গল্পতে বিদ্যমান। ভাৰতীয় সংস্কৃতি, আদৰ্শ, মানবীয়তা, আধ্যাত্মিকতা আদিক অতি সূক্ষ্মৰূপত প্ৰেমচন্দৰ গল্পত ফুটাই তোলা হৈছে। পৰম্পৰাৰ মাজত বিদ্যমান আৱেগিক আৰু সাংস্কৃতিক সম্বন্ধক প্ৰেমচন্দই সফল ৰূপত গল্পৰ মাধ্যমেৰে প্ৰকাশ কৰিছে।



Scanned with CamScanner